
# চন্দ্ৰধৰ গোস্বামী



**নাৰায়ণ গোস্বামী**

**“শোণিত সুবাস”** ঃ তেজপুৰ তথা শোণিতপুৰৰ বিশিষ্ট বৰেণ্য ব্যক্তিৰ গ্ৰন্থমালা। প্ৰকাশক অসমীয়া ক্লাব, তেজপুৰ, ৱাৰ্ড নং - ৫, পিন - ৭৮৪০০১

প্ৰকাশক ঃ সম্পাদক, অসমীয়া ক্লাব, তেজপুৰ
ৱাৰ্ড নং - ৫, পিন ঃ ৭৯৪০০১,

ঃ **চন্দ্ৰধৰ গোস্বামী**
লিখক ঃ নাৰায়ণ গোস্বামী

প্ৰচ্ছদ ঃ কুমুদ বৰুৱা, তেজপুৰ
সম্পাদক ঃ ৰুবুল শৰ্ম্মা
সম্পাদনা সহযোগী ঃ হেমন্ত কুমাৰ লহকৰ

© ঃ অসমীয়া ক্লাব, তেজপুৰ

প্ৰথম প্ৰকাশ ঃ **এপ্ৰিল, ২০১৫**

বৰঙণি ঃ ২০.০০ টকা

ছপা ঃ টাইকল ষ্টাইল ট্ৰেক, কুমাৰ গাঁও, তেজপুৰ

**Sonit Subash :** A Series of Books on the legendary persons of Tezpur, Sonitpur. Published by Asomiya Club, Tezpur, ward No - 5, PIN - 784001

# প্ৰকাশকৰ একাষাৰ

ইতিহাসক প্ৰগতিৰ দিশলৈ আগুৱাই নিয়াৰ ক্ষেত্ৰত কিছু বিশিষ্ট ব্যক্তিৰ বৰঙণি সদায়েই গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈ আহিছে। কিন্তু অতি পৰিতাপৰ বিষয় যে উঠি অহা ন-প্ৰজন্ম আমাৰ বুৰঞ্জীৰ শিপাৰ পৰা বিচ্ছিন্ন হোৱাৰ সংশয়ে দেখা দিছে। আনহাতে স্বনামধন্য, বৰেণ্য ব্যক্তিৰ ঐতিহাসিক সামাজিক ভূমিকা সম্পৰ্কে ন-প্ৰজন্মক অবগত কৰোৱাৰ বিশেষ উদ্যোগ দেখা পোৱা নাযায়। এই ক্ষেত্ৰত চৰকাৰী-বেচৰকাৰী অনুষ্ঠান প্ৰতিষ্ঠানসমূহৰ ভূমিকাও আশাব্যঞ্জক নহয় আৰু পঢ়াশালিৰ পাঠ্যপুথিতো বিশেষ গুৰুত্ব দিয়া নহয়।

শোণিতপুৰ বা তেজপুৰত এনে বহু ব্যক্তি আছে যি একোটা যুগত দেশ, জাতি, সমাজ-সংস্কৃতি তথা সাহিত্যৰ ক্ষেত্ৰত আপুৰুগীয়া অৱদান ৰাখি গৈছে আৰু আজিও চৰ্চিত হৈ আছে। কিছু ব্যক্তিয়ে জীৱনৰ অধিক সময়েই সমাজৰ হিতৰ বাবে অক্লান্ত পৰিশ্ৰম কৰি গ'ল; অথচ তেওঁলোকৰ অৱদান বালিৰ তলৰ মুকুতা হৈ পৰি আছে। এনে সকলো ব্যক্তিৰ উজ্বল দিশসমূহৰ এক সম্যক পৰিচয় জনমানসৰ ওচৰত তুলি ধৰাৰ পুনৰ প্ৰয়োজন হৈছে। এই লক্ষ্যত ''অসমীয়া ক্লাব, তেজপুৰ''এ শোণিতপুৰ বিশেষকৈ তেজপুৰৰ বৰেণ্য ব্যক্তিৰ পৰিচয়মূলক এলানি পুথি প্ৰকাশৰ দিহা কৰিছে।

ই এক জটিল তথা দুৰূহ কাম, যদিও ক্লাবে তেনে বিশিষ্ট ব্যক্তিৰ এখন দীঘলীয়া তালিকা প্ৰস্তুত কৰিছে। প্ৰথমে কোন কোন ব্যক্তিক প্ৰাধান্য দিয়া হ'ব ? ইয়াৰ উত্তৰত আমি ঠিক কৰিছো যে অসমীয়া ক্লাবৰ সৈতে জড়িত হোৱা ব্যক্তিক প্ৰথমে আমি তুলি ধৰিম যদিও ঐতিহাসিক প্ৰেক্ষাপটৰ ওপৰত ঠিয় হৈ আনসকলকো গুৰুত্ব দিয়া হ'ব। আনহাতে তেজপুৰৰ কিছু বৰেণ্য, বাটকটীয়া ব্যক্তি সমাজত তথা সমগ্ৰ অসমত বহুল চৰ্চিত হৈছে আৰু হৈ আছে; তেনে ব্যক্তিক সদ্যহতে আমি অন্তৰ্ভুক্ত কৰা নাই। উদাহৰণ স্বৰূপে জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণু প্ৰসাদ ৰাভা আদি।

'অসমীয়া ক্লাবে' অহা ২০১৫ চনত শতবৰ্ষ উদ্‌যাপন কৰিব। তেতিয়ালৈ কমেও ২০খন পুথি প্ৰকাশৰ লক্ষ্য লৈছে। পৰ্য্যায়ক্ৰমে পাঁচখনকৈ পুথি প্ৰকাশ কৰা হ'ব। 'শোণিত সুবাস' নামেৰে এই গ্ৰন্থমালাৰ নামাকৰণ কৰা হৈছে। আমি নিৰ্দ্দিষ্ট ব্যক্তিৰ পৰিয়ালৰ লোকৰ দ্বাৰা পুথি প্ৰস্তুত কৰিবলৈ চেষ্টা কৰিছো যদিও আন লেখকৰ দ্বাৰাও এই প্ৰচেষ্টা চলোৱা হৈছে।

আমি বেটুপাতৰ প্ৰথম আৱৰণত অসমীয়া ক্লাবৰ জন্মলগ্নত জড়িত থকা আৰু অসমীয়া ক্লাবৰ আহুকালৰ সময়ত জড়িত প্ৰয়াত নমস্য ব্যক্তিৰ ছবি সন্নিবিষ্ট কৰিছো। পিছৰ আৱৰণতো একেই আধাৰ গ্ৰহণ কৰা হৈছে।

বিশিষ্ট ব্যক্তিৰ চমু পৰিচয়মূলক পুথি প্ৰণয়নৰ ওপৰতেই প্ৰধানকৈ জোৰ দিছো, সেয়েহে মূল্যায়ন বা ব্যাখ্যা কৰাৰ পৰা বিৰত আছো। লগতে নিৰ্দ্দিষ্ট ব্যক্তিৰ কোনো বিশেষণো আমি নামৰ সৈতে যুক্ত কৰা নাই; যদিও জনপ্ৰিয় উপাধিৰ সম্পৰ্কে লিখনিত প্ৰকাশ কৰাত কাৰ্পন্যও কৰা নাই। সৰু হাতপুথিৰ লেখিয়াকৈ প্ৰকাশৰ সিদ্ধান্ত লোৱাৰ বাবে আমি সম্পাদনাও কৰিবলগীয়া হৈছে। তাৰবাবে ক্লাবে শ্ৰী ৰুবুল শৰ্মাক দায়িত্ব দিয়ে।

সম্পাদনাৰ ক্ষেত্ৰত লোৱা পদ্ধতি হ'ল, যি পুথিৰ পাণ্ডুলিপিৰ কলেৱৰ প্ৰয়োজনতকৈ দীঘল হৈছে তাক চমু কৰিবলৈ চেষ্টা কৰা হৈছে; যদিও লিখকৰ মূল কথা বা গুৰুত্বপূৰ্ণ তথ্য অক্ষত ৰখা হৈছে। একেদৰে চমু হোৱা পাণ্ডুলিপিৰ কলেৱৰ বঢ়োৱা হৈছে। যিসকল বৰেণ্য ব্যক্তি অসমীয়া ক্লাৱৰ সৈতে জড়িত আছিল, সেইসকলৰ ক্লাবৰ সৈতে থকা সম্পৰ্ক তুলি ধৰিবলৈ চেষ্টা কৰা হৈছে।

পাণ্ডুলিপি প্ৰস্তুত কৰা ব্যক্তিৰ একাংশ নিয়মীয়া লেখক নহয়। গতিকে আমি সাহিত্যতকৈ নিৰ্দ্দিষ্ট ব্যক্তিৰ ঐতিহাসিক, সামাজিক পৰিসৰত নিজস্ব অবদান, ত্যাগ তথা কৰ্মৰ ওপৰত বিশেষ গুৰুত্ব দিছো। বানান বিভ্ৰাট কমাবলৈ অশেষ চেষ্টা কৰা হৈছে যদিও সফলকাম হ'ব পাৰিছো বুলি দাবী কৰিব নোৱাৰো।

আমি প্ৰকাশিত পুথিৰ অৰিহণা নিৰ্দ্ধাৰণ কৰিছো তথাপিও বিভিন্ন অনুষ্ঠান, প্ৰতিষ্ঠান তথা ব্যক্তিৰ বৰঙণিও আশা কৰিছো। যাতে ধাৰাবাহিক ভাবে এনে পুথি প্ৰকাশ কৰাত অসমীয়া ক্লাব আৰ্থিক দৈন্যত নপৰে।

যিসকলে লিখা প্ৰস্তুত কৰি দি ক্লাবৰ এই মহান কামত সহায় কৰিলে, বেটুপাতৰ প্ৰচ্ছদ আঁকি শ্ৰদ্ধেয় কুমুদ বৰুৱাই যি সহায় কৰিলে, যি সকলে বিভিন্ন তথ্য সৰবৰাহ কৰি সহায়ৰ হাত আগবঢ়ালে সেই সকলোলৈকে অসমীয়া ক্লাবে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে 'টাইকল' প্ৰেছৰ সমূহ কৰ্মীবৃন্দক ধন্যবাদ জ্ঞাপন কৰিছো।

অসমীয়া ক্লাবৰ এই মহান উদ্যোগক আগুৱাই নিয়াৰ বাবে সকলোৰে সহায় সহযোগ আৰু দিহা পৰামৰ্শ কামনা কৰো।

**- অসমীয়া ক্লাব, তেজপুৰ**

মঞ্চ গুৰুনি, গম্ভীৰ, দেখিলেই শ্ৰদ্ধাবনত হোৱা 'বাচা' দা বুলি খ্যাত, গুণীৰ গুণ বুজা, যথাৰ্থতে 'মঞ্চকোঁৱৰ' অভিধাৰে ভূষিত জাতীয়তাবাদী চিন্তাৰ প্ৰতিভূ, চন্দ্ৰধৰ গোস্বামীৰ জন্ম এটি সাংস্কৃতিক ভাবে চহকী, তেজপুৰ কলিবাৰী অঞ্চলৰ পৰিয়ালত ইং ১৯১২ চনৰ ১৮ নৱেম্বৰ তাৰিখে। মঞ্চকোঁৱৰ চন্দ্ৰধৰ গোস্বামীৰ আদি পুৰুষৰ সত্ৰ আছিল জামুগুৰিহাটস্থিত শ্ৰীশ্ৰীমূৰাৰী সত্ৰ। পিতৃ প্ৰয়াত ফণীধৰ গোস্বামী 'বাণ থিয়েটাৰ কনচাৰ্ট পাৰ্টিৰ' সদস্য, বাঁহীবাদক, অভিনেতা; মাতৃ স্বৰ্গীয়া শশীপ্ৰভা গোস্বামী। পাঁচোজন পুত্ৰৰ ভিতৰত জ্যেষ্ঠজনেই চন্দ্ৰধৰ গোস্বামী।

অৱধাৰিতভাবেই ল'ৰা চন্দ্ৰধৰেও পাইছিল পিতাকে দেখুৱাই যোৱা সংস্কৃতিৰ সেন্দুৰীয়া পথ। সাংস্কৃতিক মনন তথা চিন্তনে শিশু চন্দ্ৰধৰক অসমীয়া গীত, নাট্য, কাব্য তথা চলচ্চিত্ৰৰ লগতে সাংস্কৃতিক বৈভৱৰ গুৰি ধৰোতা 'বিশ্বৰ ছন্দে ছন্দে' বিমোহনৰূপত নাচি স্তম্ভিত কৰা বিষ্ণু ৰাভাদেউ, নাট্যপ্ৰাণ নটসূৰ্য্য ফণী শৰ্মাৰ প্ৰত্যক্ষ সান্নিধ্যৰে ৰঞ্জিত চন্দ্ৰধৰ গোস্বামীক সেয়ে 'চৰাইটোহে সৰু, থাকে হেলোংগছত' - ইত্যাদি আপ্তবাক্য বা অভিধা বা যোজনাতহে তেওঁ জীৱন চৰ্যা ৰজিতা খায়।''

## চন্দ্ৰৰ অ, আ, ক, খ

- এটি সংস্কৃতিবান পৰিয়ালৰ নব প্ৰজন্মই স্বাভাবিকতেই পঢ়া শুনা কৰিবই লাগিব এইবাবে স্বাভাৱিকভাবেই, চন্দ্ৰধৰ গোস্বামীয়ে প্ৰাথমিক শিক্ষাৰ বাবে নামভৰ্ত্তি কৰিছিল তেজপুৰ মধ্য প্ৰাথমিক বিদ্যালয়ত। কেনে সৌহাৰ্দ্যৰ দিন আছিল - সেইখিনি সময়। প্ৰাথমিক জ্ঞানাৰ্জনৰ নৌকা যাত্ৰাইদি ক্ৰমাগতভাবে শিশু চন্দ্ৰধৰে, উচ্চ শিক্ষাৰ বাবে ঐতিহ্যমণ্ডিত তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত নামভৰ্ত্তি কৰি শৈক্ষিক ক্ষেত্ৰত আগবাঢ়ি যোৱাৰ সপোন দেখে। ১৯৩২ চনত এই বিদ্যালয়ৰ পৰা প্ৰথম বিভাগত উত্তীৰ্ণ হৈ ঐতিহ্যমণ্ডিত কটন কলেজত কলেজীয়া জীৱন আৰম্ভ কৰে।

কিন্তু মঞ্চৰ, সংস্কৃতিৰ সুকোমল উত্তাপ অনবৰতে পাই থকা ব্যক্তিৰ পক্ষে ই সম্ভৱ জানো। কটনৰ পৰা মায়ামুক্ত হৈ গৃহাভিমুখী হৈও, সুকুমাৰ কলাকে শিকো বুলি, কবিগুৰুজনাৰ মানসপুত্ৰ সদৃশ কলকাতাস্থ শান্তিনিকেতন



পালেগৈ। এতিয়া চন্দ্ৰধৰ গোস্বামীক আৰু পায় কোনে ? যথাবিহিত ভাবে শান্তি নিকেতনত ভৰ্ত্তি হৈ, শৈল্পীক হাবিয়াসক সফল ৰূপ দিবলৈ, তেওঁ লগ পালে স্বনামধন্য চিত্ৰকৰ নন্দলাল সুকক। শিল্পীপ্ৰাণে হৃদয় উজাৰি ৰং তুলিকাৰে বন্ধুত্ব স্থাপন কৰিলে। ''গুৰু লগা বিদ্যা, পাখি লগা কাঁড়''- এটাকো ধৰি ৰাখিব নোৱাৰি। যিদৰে পাকৈত ধনুৰ্দ্ধৰ অব্যৰ্থ- লক্ষ্যস্থানত আঘাত কৰাৰ, সেইদৰে উপযুক্ত গুৰুৰ তত্বাবধানত চন্দ্ৰধৰ গোস্বামীৰ ৰংতুলিয়ে প্ৰাণ পাই উঠিল। কিন্তু শৃঙ্খলিত শৈল্পীক চেতনা তেজপুৰ বিশেষকৈ বাণ ৰঙ্গমঞ্চৰ লগতহে সংপৃক্ত হৈ পৰিল। প্ৰশ্ন হ'ল - কিন্তু কিয় তেজপুৰৰ ল'ৰা তেজপুৰলৈ ঘূৰি আহিল ? সেইয়া হয়তো আছিল সময়ৰেই নিৰ্ঘন্ট। নহ'লে শিল্পীত্বৰ সুকোমল হৃদয় এখন লৈ, তেওঁ থাকিলহেঁতেন শান্তিনিকেতনতে অথবা আন কোনোবা চিত্ৰকলামোদীৰ আড্ডাৰ মধ্যমণি হৈ। 'পিতাক'ৰ অকাল মৃত্যুৱে চন্দ্ৰধৰ গোস্বামীৰ জীৱনৰ গতি যেন ৰূদ্ধ নকৰিলেও ক্ষণিক স্থবিৰ পৰ্য্যায়লৈ লৈ আহিল। জীৱনৰ যুদ্ধত এজন যোদ্ধা ৰূপে অৱতীৰ্ণ হৈ তেওঁ জপিয়াই পৰিল ঘৰ সংসাৰ চলোৱাৰ দায়িত্বত।

বিলাত ফেৰত জ্যোতিপ্ৰসাদ আগৰৱালাদেৱে বাৰ্লিনত থকাৰ কোনোবা এটা সময়ত নটৰাজৰ দৰে এটি 'Presenium' দেখি আহি চন্দ্ৰধৰ গোস্বামীক কৈছিল - ''হেৰা চন্দ্ৰ, বাৰ্লিনৰ এটা নাম কৰা থিয়েটাৰ ঘৰৰ প্ৰচেনিয়ামত ব্ৰঞ্জৰ এটা বিৰাট নটৰাজৰ মূৰ্ত্তি দেখিছিলো। ভাৰতীয় শিল্পৰ প্ৰতীক এই নটৰাজক বাণ ৰঙ্গমঞ্চত স্থাপন কৰিব নোৱাৰিনে ?'' সংস্কৃতিৰ পুৰোধাগৰাকীৰ ইচ্ছাক সাকাৰ ৰূপ প্ৰদানত মঞ্চকোঁৱৰ জনাই অকণো কৃপণালি কৰা নাছিল। পটত (Dropscene) ত নটৰাজৰ চিত্ৰই প্ৰাণ পাই উঠিল। ১৯৩৬ চনৰ সপ্তমী পূজাৰ নাট্যৰজনী আৰু নটৰাজৰ পট স্মৰণীয়।

স্মৰ্ত্তব্য যে ১৯২৪ আৰু ১৯২৬ চনত ৰূপকোঁৱৰৰ 'শোণিতকুঁৱৰী' নাটৰ বাবে অঁকা 'বোঁৱতী নৈৰ পানী', 'নীলিম আকাশত ভাঁহি থকা শুকুলা ডাৱৰৰ' পট আঁকি, চন্দ্ৰধৰে তাহানিতে নাট্য/ চিত্ৰশিল্পীৰ দৃষ্টি আকৰ্ষণ কৰিছিল। (অতুল শৰ্মা) তদুপৰি মঞ্চৰ প্ৰয়োজনীয় আচবাব তৈয়াৰতো চন্দ্ৰধৰৰ স্পৰ্শ আছিল বৰ্ণনাতীত। নতুনত্ব আনিবলৈ মঞ্চকোঁৱৰজনাই গ্ৰীক নাট্যকলাৰ আৰ্হিও বাণ ৰঙ্গমঞ্চৰ সন্মুখ ভাগলৈ লৈ আনিছিল। জীৱন আৰু জীবিকা হৈছে মানুহৰ অন্তহীন অভীপ্সা। সেয়ে, তাৎক্ষণিক ভাবে

পৰিয়ালটিলৈ নামি অহা দুৰ্যোগৰ লগত মোকাবিলা কৰিবলৈ, চন্দ্ৰধৰ বদ্ধপৰিকৰ হ'ল। তেনে সময়তে ১৯৩৮ চনত দৰং জিলা প্ৰশাসনে চন্দ্ৰধৰ গোস্বামীৰ কান্ধত হেলেম মৌজাখন তুলি দিলে। দুৰ্ভাগ্যজনকভাবে তেওঁৰ হাতত মৌজা দুবছৰহে চলিল। ১৯৪০ চনত এক অবাঞ্চিত কথাৰ বাবে, গোস্বামীদেউৰ মৌজা চলোৱাৰ ভিকাচন ভাগিল। সেই সময়ত অসমৰ প্ৰধানমন্ত্ৰী আছিল ছাৰ চাদুল্লা। ৰাজ্যৰ প্ৰধানমন্ত্ৰীৰ নিৰ্দেশত দৰং জিলাৰ উপায়ুক্তই চন্দ্ৰধৰ গোস্বামীৰ পৰা মৌজাৰ কৰ্তৃত্ব কাঢ়ি লয়। কাৰণ আছিল অসমৰ কৃষিভূমিৰ ওপৰত থলুৱা লোকৰ আধিপত্যৰ ঠাইত তদানীন্তন কালৰ, মৈমনচিং জিলাৰ পৰা অভিভাষী মুছলমান অধিবাসী অনা বন্ধ উচিত বুলি কৰা লিখিত পত্ৰ। মৌজা গ'ল। ১৯৪১ চন। ভায়েক প্ৰয়াত মোক্ষধৰ তেতিয়া কহিমাত। ঠিকা ঠুকলি কৰি নিজেও চলে আৰু ঘৰকো পোহপাল দিয়ে। তেনে সময়তে ককায়েক চন্দ্ৰধৰে টেন্দাৰ কৰি তেজপুৰ শিলঘাট, পাৰঘাটৰ অনুজ্ঞা পায়। পি ডব্লিও ডি-ত অনুজ্ঞা পত্ৰ লাভ কৰাৰ পিছত চন্দ্ৰধৰ গোস্বামী আন এটি সমস্যাত পৰে। সি হ'ল প্ৰয়োজনীয় ষ্টিমাৰৰ অভাৱ; গোস্বামীদেউ কলিকতালৈ গৈ জাপানী জাহাজ কোম্পানীৰ স'তে প্ৰয়োজনীয় যোগাযোগৰ পিছতো চন্দ্ৰধৰৰ ভাষাত -''আইলক্ষী''ৰ যথোচিত অভাবৰ বাবে ষ্টিমাৰ আনি পাৰঘাটৰ সেৱা কৰা চিন্তাত যতি পৰিল। স্মৰ্তব্য যে - জাপানীসকলে বাষ্পচালিত জাহাজক 'নিপন' (Neepaun) বুলি কয় - ইফালে স্ব-গৃহ তেজপুৰতো জয় জয়কাৰ। পত্নী নিৰুপমা গোস্বামীৰ ল'ৰা হ'ল বুলি খবৰ পোৱাত নৰ-জাতকৰ নাম নিপন ৰাখিবলৈ টেলিগ্ৰাম পঠালে। সেই জাতকেই আজি অসমত, বহুদশক জুৰি কি বোলছবি, কি ধাৰাবাহিক, বিজ্ঞাপন জগতত স্ব-নাট্যশৈলীৰে দপদপাই থকা - ২০১৪ চনৰ নটসূৰ্য্য বঁটা প্ৰাপক স্বনামধন্য শিল্পী নিপন গোস্বামী।

যাহওক এনেদৰেই নানান অজুহাতৰ ডঁৰিয়লিত পতিত হৈ চন্দ্ৰ গোস্বামীৰ ব্যৱসায় চিন্তাও সিমানতে যতি পৰিল। ইয়াৰ পাছত তেখেতে নিৰ্মলা টি ইষ্টেট' নামৰ বাগান কিনিছিল - লোকনায়ক অমিয় কুমাৰ দাসৰ সহযোগত তাতো সফল নহ'ল - পিছত শুভাকাংক্ষীসকলৰ উৎসাহ উদ্দীপনাকে সাৰথি কৰি ''মোক্তাৰী'' পঢ়ি সময়ত তাৰে সংস্থাপনৰ বাট মোকোলালে দৃঢ়মনা চন্দ্ৰধৰ গোস্বামীয়ে। 'পুত্ৰ চন্দ্ৰধৰ এদিন উকীল হ'ব'- এই



আশাতেই পিতৃ দেবতাও আছিল হেনো আৰু সময়ত পিতৃৰ আশীৰ্বাদ-সুহৃদসকলৰ সঁহাৰিতেই চন্দ্ৰধৰ গোস্বামীৰ ওকালতিয়েই জীৱন আৰু জীৱিকাৰ প্ৰধান উপজীব্য হৈ পৰিল। ১৯৬০ চনত মঞ্চকোঁৱৰজনা তেজপুৰ উকীল সন্থাৰ এজন বিশিষ্ট সদস্য হৈ পৰিল আৰু পৰিয়ালটিয়ে উপাৰ্জনৰ পথেৰে বাট বুলিব ধৰিলে।

## ঃ বিবাহ - প্ৰজাপতিৰ নিৰ্বন্ধ ঃ

সামাজিক পৰম্পৰা আৰু পাৰিবাৰিক দস্তুৰমতে তেতিয়া চফল ডেকা - মঞ্চকোঁৱৰ চন্দ্ৰধৰ গোস্বামীৰো শুভবিবাহৰ সময় হ'ল। কন্যা গোলাঘাটৰ শ্ৰীআধাৰ সত্ৰ নিবাসী জ্যেষ্ঠ বিচাৰপতি প্ৰয়াত বিষ্ণু প্ৰসাদ গোস্বামীৰ প্ৰথমা কন্যা নিৰুপমা গোস্বামী। ১৯৩৬ চনৰ এক জুলাইত চন্দ্ৰধৰ গোস্বামীৰ শুভবিবাহ সম্পন্ন হয়। নিৰুপমা গোস্বামীয়ে তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক কন্যা বিদ্যালয়ত শিক্ষকতা কৰিছিল। এগৰাকী শাস্ত্ৰীয় বিভাগৰ সঙ্গীতজ্ঞ হোৱাৰ লগতে নিৰুপমা গোস্বামী চেতাৰ বাদকো আছিল। এওঁলোকৰ সফল সংসাৰ ধৰ্মত দুটি সন্তান আহিছিল। এগৰাকী পুত্ৰ নিপন গোস্বামী আৰু কন্যা শ্ৰীমতী নয়নী গোস্বামী। নিৰুপমা গোস্বামী এগৰাকী সফল গৃহিণী, মাতৃ হোৱাৰ উপৰিও স্বল্পভাষী, উচ্চ সংস্কৃতিমনা, মঞ্চপ্ৰেমী আছিল। স্মৰণযোগ্য যে - এখেতে 'দূৰণিৰ ৰং' বোলছবিটো অভিনয়ৰ স্বাক্ষৰ ৰাখি থৈ গৈছে।

## ঃ কৰ্মজীৱনৰ আলি গলিয়েদি ঃ

এগৰাকী সুন্দৰ, পৰিপাটী বেশভূশাৰে, প্ৰথম দৃষ্টিতেই অভিনেতা যেন লগা মঞ্চকোঁৱৰ চন্দ্ৰধৰ গোস্বামীৰ জীৱনটো তথা কৰ্ম পৰিক্ৰমা বিচিত্ৰ অভিজ্ঞতাৰে ভৰপূৰ। ওকালতিৰ জৰিয়তে আৰ্থিক স্থিতি আহিলেও মনটোত খুন্দ খাই আছিল - সমাজ চিন্তাইহে ; সৰুকালৰেপৰা লালন পালন কৰি থকা মঞ্চৰ দুৰন্ত অভিপ্ৰায়ৰ উল্লেখ নকৰিলোৱেই বা ! যেতিয়া সঙ্গীৰূপে নটসূৰ্য্য ফণী শৰ্মা, বিষ্ণু প্ৰসাদ ৰাভা আৰু অন্যান্য বহু কেইজন দিগগজ কুশীলৱ হয় তেতিয়াটো 'গাখীৰতে মহৰ খুটি সদৃশ হয়।

## ঃ মই বাণ থিয়েটাৰৰ সন্তান ঃ

ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদে যিদৰে জন্মসূত্ৰে ''বিশ্ব নাগৰিক'' (ওপজিয়ে হৈ আহোঁ বিশ্ব নাগৰিক) বুলি কৰি অহা দাবী যথাৰ্থতে সন্দেহাতীত আছিল, সেইদৰে আমাৰ আলোচ্যমান চন্দ্ৰধৰ গোস্বামীদেৱে কৈছিল - 'মই বাণ থিয়েটাৰৰ সন্তান' বুলি। নহ'বনো কেলৈ - ল'ৰালিতে নেকি যাৰ হৃদয়ত তন মনত বাণ থিয়েটাৰৰ সাকাৰৰূপ এটাই ঠাই পাইছিল। তাহানি বাণ থিয়েটাৰত এদল নাটবলীয়া, সংস্কৃতিসুৰীয়া লোক - যথা নটসূৰ্য্য ফণী শৰ্মা, তুলসী দাস, ৰমেশ শৰ্মা, দেবেন চলিহা, হেম দাস, দেবেন শৰ্মা, নগেন দাস, দুলাল গোস্বামী, ভাৰত হাজৰিকা, বীৰেণ দাস, হীৰেন চৌধুৰী, চামচুল আহমেদ, তপন ডেকা, চাহাবুদ্দিন আহমেদ আদি সকলোৱেই যেন দিনটোত এবাৰ হ'লেও বাণৰ মজিয়া নগৰকিলে নহৈছিল।

মঞ্চকোঁৱৰ চন্দ্ৰধৰ গোস্বামী, মঞ্চ নাটৰ অকল অনবদ্য অভিনেতাই নহয় তেওঁ এজন পৰিপক্ক কলাসুলভ ব্যক্তি; এগৰাকী কলাত্মক ব্যক্তিৰূপে কি পট অঁকা, কলা নিৰ্দেশনা, সংলাপ নিক্ষেপ, আখৰাৰ নিয়মানুবৰ্তিতা, জ্যোতিপ্ৰসাদৰ বাদ্যযন্ত্ৰীৰ সদস্য ৰূপে ন্যস্ত কৰা দায়িত্ব সুকলমে সমাপন কৰিছিল।

বাণ থিয়েটাৰৰ ওপজা দিন ৭ অক্টোবৰ ১৯০৭ চন। তেতিয়া এটা দস্তুৰ আছিল যে মেট্ৰিক পৰীক্ষা দিয়া নাটবলিয়া ল'ৰাহঁতে ফলাফল ওলোৱাৰ আগে আগে একোখন নাট মেলিছিল। সেইবাৰ নাট লৈছিল পৌৰাণিক Mythological নাট - 'অহল্যা বাই'। মঞ্চকোঁৱৰৰ মঞ্চ যাত্ৰাৰ সেইয়া আছিল যেন প্ৰথম পদক্ষেপ।

'বাণ থিয়েটাৰৰ' প্ৰতিজন শিল্পী তথা অভিনয়বলীয়া সদস্য একো একোজন সমাজ সচেতন দায়বদ্ধ শিল্পীৰূপে বিদিত আছিল সেই সম্পৰ্কত বিস্তৃত ব্যাখ্যা নিদিলেও তিলাৰ্দ্ধও দোষে নোচোৱে বৰঞ্চ সাংগঠনিক তথা সাংস্কৃতিক দিশটোৰে তেখেতসকলৰ অবদান সমাজত প্ৰভূতভাবে স্বীকৃত।

চন্দ্ৰধৰ গোস্বামীয়ে 'বাণৰ' বিশাল মঞ্চৰ বুকুৰ পৰা ৰস মথি এটা সময়ত ''চিত্ৰলেখা প্ৰাইভেট লিমিটেড'' গঠন কৰি, ইয়াৰ বেনাৰতে নটসূৰ্য্যৰ অমৰ সৃষ্টি 'চিৰাজ'' খনৰ চিত্ৰৰূপ দিয়াইছিল।

'অহল্যা বাই' ৰে আৰম্ভ কৰা নাটকৰ পিছত মঞ্চকোঁৱৰ জনাই বহু



নাটত কালজয়ী অভিনয় কৰিছিল। জ্যোতিপ্ৰসাদৰ 'শোণিত কুঁৱৰী' (বাণ ৰজাৰ চৰিত্ৰত), ৰূপালীম, লভিতা, কাৰেঙৰ লিগিৰী, (সুন্দৰ কোঁৱৰ) খনিকৰ, (খনিকৰৰ চৰিত্ৰ - অপ্ৰকাশিত), পদ্মনাথ গোহাঞি বৰুৱাৰ 'জয়মতী' নাটকৰ 'ল'ৰা ৰজাৰ চৰিত্ৰ'ত, ফণী শৰ্মাৰ 'চিৰাজ' নাটকত কন্দৰ্প আৰু চিৰাজ চৰিত্ৰত অৰুণ শৰ্মাৰ 'নিবাৰণ ভট্টাচাৰ্য্য' নাটকৰ মুখ্য চৰিত্ৰত প্ৰাণস্পৰ্শী অভিনয় কৰিছিল । স্মৰ্ত্তব্য যে, নাট্যকাৰ ভবেন বৰুৱা সম্পাদিত নাট ''মই ভিক্ষাৰী'' (প্ৰযোজনা অনামিকা যুব শিল্পী সমাজ)ত মঞ্চকোঁৱৰ জনাই নবীয়া দেহাৰে দুৰ্দান্ত অভিনয় কৰিছিল আৰু আমি জানিব পৰা মতে এই অভিনয়েই তেখেতৰ শেষ অভিনয় আছিল।

ইয়াৰোপৰি অনুদিত ভালেমান নাটকত চন্দ্ৰধৰ গোস্বামীয়ে সাবলীল অভিনয় কৰিছিল। সেইসমূহ ক্ৰমে - (১) মিছৰ কুমাৰী (আৰৱ চৰিত্ৰত) (২)ৰক্ষ কুমাৰ (বিভীষণ চৰিত্ৰ) (৩) মহাৰাজ নন্দকুমাৰ (নন্দ কুমাৰ চৰিত্ৰত) (৪) কৰ্ণাৰ্জ্জুন (অৰ্জুন চৰিত্ৰ) (৫) চিৰাজ দৌলা (৬) অহল্যা (৭) পৃথ্বিৰাজ (জয় চান্দ চৰিত্ৰ) (৮) নাদিৰ শ্বাহ (৯) ঔৰঙ্গজেৱ (মূল চৰিত্ৰ অন্নদা পদ্মপতিয়ে কৰে) (১০) সমুদ্ৰ গুপ্ত (বাঘৰাজ চৰিত্ৰ) (১১) টিপু চুলতান (নটসূৰ্য্য আৰু চন্দ্ৰধৰ গোস্বামী) (১২) চাহ জাহান (মুৰাদ চৰিত্ৰ) (১৩) হৰতনৰ চাহাব, গোলাম বিবি (মি চাকচেদ) (১৪) কালাপাহাৰ (মূল চৰিত্ৰ - ব্ৰজ শৰ্মা - অন্নদা পদ্মপতি - চন্দ্ৰধৰ গোস্বামী) আদিয়েই উল্লেখযোগ্য।

দুৰন্ত অভিনয়েৰে মঞ্চকোঁৱৰজনাই চেলুলয়েডতো নিজৰ দখল অব্যাহত ৰাখিছিল। সাৱলীল অভিনয়েৰে ৰূপালী পৰ্দাত খলকনি তুলিছিল।

ইং ১৯৪৮ চন। দেশপ্ৰাণ লক্ষীধৰ শৰ্মাৰ কালজয়ী নাটক 'চিৰাজ'ক চলচ্চিত্ৰৰ ৰূপ দিয়া হৈছিল। সাম্প্ৰদায়িক প্ৰীতিক মূল উপজীব্যৰূপে পৰিচিত এই চলচ্চিত্ৰখনি 'প্ৰযোজনা কৰিছিল - 'চিত্ৰাৱলী পিকচ্চাৰ্চ লিমিটেডে'। চিত্ৰনাট্য প্ৰস্তুত তথা পৰিকল্পনা নটসূৰ্য্য ফণী শৰ্মাৰ, সঙ্গীত পৰিচালনা সুধাকণ্ঠ ভূপেন হাজৰিকা আৰু শিৱ ভট্টাচাৰ্য্যৰ। উল্লেখনীয় যে প্ৰচণ্ড আৰ্থিক দুৰবস্থাৰ বাবে 'চিৰাজ' ফিল্মখন কৰোঁতে নটসূৰ্যই বহু সমস্যাত পৰিছিল।'হিজ মাষ্টাৰ্ছ ভয়ছ (HMV) ত গ্ৰামফ'ন 'পালা' - 'সৌমাৰৰ ফিৰিঙতি' কৰি তাৰ উপাৰ্জিত ধনেৰেই নটসূৰ্য্য ফণী শৰ্মাই 'চিৰাজ'ক ৰাইজৰ মাজলৈ আগবঢ়াই নিয়াৰ

সময়ত মঞ্চকোঁৱৰ চন্দ্ৰধৰ গোস্বামী ফণী শৰ্মাৰ সৌহাতৰূপে অহৰহ সহায়ৰ হাত আগবঢ়াই আছিল। এই চিৰাজতে কলাগুৰুৰ গীতত কণ্ঠদান কৰিছিল চন্দ্ৰধৰ গোস্বামীৰ সহধৰ্মিনী নিৰূপমা বাইদেৱে। 'বৰুৱাৰ' চৰিত্ৰত ৰূপদান কৰিছিল 'মঞ্চকোঁৱৰে নিজে। ১৯৫৫ চনৰ ২ ডিচেম্বৰ তাৰিখে ''পিয়লিফুকন'' নামধেয় বোলছবিখনৰ শুভ মুক্তি হয়। 'পিয়লি'ৰ নাম ভূমিকাত প্ৰাণস্পৰ্শী অভিনয় কৰিছিল - চন্দ্ৰধৰ গোস্বামীয়ে। মঘাই (বৰুৱা) ওজাৰ ঢোলৰ চাপৰেৰে আৰম্ভ হোৱা 'পিয়লি ফুকন' বোলছবিয়ে ৰাষ্ট্ৰপতিৰ ''চাৰ্টিফিকেট অৱ মেৰিট'' লাভ কৰিছিল পোন প্ৰথমবাৰৰ বাবে। ইয়াৰ উপৰিও ফণী শৰ্মা পৰিচালিত - ১৯৫৭ চনৰ ২৭ তাৰিখে মুক্তি লভা 'ধুমুহা' (সঙ্গীত পৰিচালনা - ভূপেন হাজৰিকা) বোলছবিত, INTUC ৰ প্ৰযোজনাত ১৯৫৯ চনৰ ২৯ মাৰ্চত মুক্তি লাভ কৰা জ্যোতিৰ অমৰ সৃষ্টি - ''অ' আমাৰ গাঁও'' গীতটি সংযোজিত 'কেঁচাসোণ নামৰ বোলছবিতো এটি উল্লেখযোগ্য চৰিত্ৰত ৰূপদান কৰাৰ উপৰিও ভায়েক কুলেন্দ্ৰ নাৰায়ণ আৰু পুত্ৰ নিপন গোস্বামীয়েও অভিনয় কৰিছিল।

ভালেকেইখন অনাঁতাৰ নাটকতো মঞ্চকোঁৱৰে ভিন্ন চৰিত্ৰত ৰূপদান কৰিছিল; সুৰদেৱী থিয়েটাৰ'ৰ নাট্য শিল্পী তথা কুশীলৱসকলক অভিনয়ৰ তালিম প্ৰদান কৰিছিল। স্মৰ্তব্য যে, এজন বিশিষ্ট নাট্য সংগঠকৰূপে - মঞ্চকোঁৱৰ চন্দ্ৰধৰ গোস্বামীৰ এক যুগমীয়া স্বাক্ষৰ হ'ল - নটসূৰ্য্যৰ স্মৃতিত ১৯৭১ চনৰ পৰা এলানি নাট সমাৰোহ অনুষ্ঠিত কৰাটো। উক্ত সমাৰোহখনিয়ে বৃহত্তৰ তেজপুৰ তথা সদৌ অসমতে এক নাট্যজাগৰণ সৃষ্টিয়েই নহয় এচাম নতুন নাট্যকাৰ তথা মননশীল চিন্তাৰ সমাৰোহৰূপে চিহ্নিত হোৱাটো প্ৰণিধানযোগ্য।

## ঃ ৰাজহুৱা জীৱন আৰু চন্দ্ৰধৰ গোস্বামী ঃ

মূলতঃ মঞ্চ তথা নাট্যশিল্পৰ লগত জড়িত হ'লেও, চন্দ্ৰধৰ গোস্বামীৰ জীবন পৰিক্ৰমাৎ ৰাজহুৱা জীৱনৰ বৰ্ণাঢ্য খতিয়ান এটিও নিৰহ নিপানীকৈ সাঙোৰ খাই আছে। পিতৃ পিতামহসকলৰ পৰা প্ৰাপ্ত পাৰস্পৰিক ৰাজহুৱা জীবন চৰ্যা; বাণ থিয়েটাৰ যাৰ তন আৰু মনত, যাৰ কাৰণেই মঞ্চকোঁৱৰ অভিধাৰে পৰিচিত, সেই শতাব্দীগৰকা 'বাণ থিয়েটাৰ'ৰ মহিলা 'গেট



কিপাৰৰ' পৰা গৈ ইয়াৰ উত্তৰণত একান্তই অনুৰক্ত হৈ পৰিল। শান্তি নিকেতনৰ পৰা, বিপৰ্য্যয়ত পৰি সেই ওভোতনি যাত্ৰাৰ পিছত 'তেজপুৰত' - নটসূৰ্য্য, কলাগুৰু আৰু মঞ্চকোঁৱৰৰ সৃষ্টি আছিল 'নাট্যসংঘ'। মঞ্চকোঁৱৰৰ ভাষাত 'ৰিহাৰ্চেলত মই কিন্তু কিছু Punctual । অলপ হীনদেৰি ----'' - এইয়া হ'ল নাট আৰু নাট্যমঞ্চৰ প্ৰতি সীমাহীন দায়বদ্ধতা আৰু আন্তৰিক শ্ৰদ্ধা - যি অতুলনীয়। ইয়াৰ মাজত জানো ৰাজহুৱা স্বাৰ্থৰ তাৎপৰ্য্য নাই ? সিপিনে, হেলেম মৌজা চন্দ্ৰধৰৰ হাতৰ পৰা ওলাই যোৱাৰ অন্তৰালতো জানো সামূহিক স্বাৰ্থ এটি জড়িত হৈ থকা নাছিল ?

তেজপুৰ সাহিত্য সভাৰ কাৰ্য্যনিৰ্বাহকৰ এজন সদস্য হৈ গোস্বামীদেৱ ঐতিহাসিক অসম আন্দোলনৰ 'গণ সংগ্ৰাম পৰিষদৰে' যুক্ত হৈছিল বিশিষ্ট সদস্য বাণীকান্ত শৰ্মাদেৱৰ সৈতে। এইখিনি সময়তে এই সংস্কৃতিপ্ৰেমী, প্ৰবীণ শিল্পীজনাই জাতীয় স্বাৰ্থত আন এগৰাকী অগ্ৰজ বৰেণ্য ব্যক্তি নবীন চন্দ্ৰ কাথ হাজৰিকাৰে যুক্ত হৈ 'সুৰ বাহিনী' লৈ - বালিপৰা, জামুগুৰিহাট, নাগশংকৰ, চতিয়া, বিশ্বনাথ চাৰিআলি, ইটাখোলা আদি ঠাইত অক্লান্তভাৱে সমন্বয় সংস্কৃতিৰ বাৰ্ত্তা বিলাইছিল। উল্লেখযোগ্য যে, ইতিমধ্যে শতবৰ্ষগৰকা ঐতিহ্যপূৰ্ণ অঃ ভাঃ উঃ সাঃ সভাৰো ১৯৬৬ চনৰ পৰা সাধাৰণ সম্পাদকৰ দায়িত্ব লয় - ১৯৭৬ চনৰ মাৰ্চ মাহলৈকে। তেখেতে কলিবাৰী, তেজপুৰৰ পুৰণি অনুষ্ঠান চিত্ৰলেখা কৃষ্টি সংঘৰ আমৃত্যু সভাপতিৰ পদ অলঙ্কৃত কৰিছিল। বুকুত আছিল সমাজৰ হকে কিবা অকণমান কৰি যোৱাৰ প্ৰৱল হাবিয়াস।

১৯৫৫ চনত চন্দ্ৰধৰ গোস্বামীদেৱ তেজপুৰ জিলা কংগ্ৰেছৰ সভাপতি পদত অধিষ্ঠিত হৈছিল আৰু একে বছৰতে অনুষ্ঠিতব্য প্ৰদেশ কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সন্মিলনৰ অভ্যৰ্থনা সমিতিৰ সভাপতিৰ পদ অলঙ্কৃত কৰিছিল।

এইখিনিতে, নটসূৰ্য্যই, বন্ধুপ্ৰাণ চন্দ্ৰধৰক কোৱা এষাৰ কথা উল্লেখ নকৰি নোৱাৰিলো — ''মোক প্ৰায়েই কৈছিল, তহঁত এই ৰাজনীতি খেলা মানুহবোৰে কিয় বাৰু আচলতে যিটো নকৰ, সেইটোকে আনক কৰিবলৈ কৰ? পাদুৰী লেকচাৰ দি দি মানুহবোৰৰ আৰু কিমান সৰ্বনাশ কৰ' - ''(নটসূৰ্য্য ফণী শৰ্মা - চন্দ্ৰধৰ গোস্বামী / পৰিশিষ্ট / ফণী শৰ্মা ৰচনাৱলী)

## ঃ আকৌ বাণ থিয়েটাৰ ঃ

ষষ্ঠ দশকৰ প্ৰাৰম্ভণিতে, ইং '৫৩- '৫৪ চনত চন্দ্ৰধৰ গোস্বামী বাণ থিয়েটাৰৰ সাধাৰণ সম্পাদকৰূপে মনোনীত হয় আৰু অৰধাৰিতভাৱেই মুমূৰ্ষু প্ৰায়, বাণথিয়েটাৰক পুনৰুজ্জীবিতকৰণৰ পক্ষে, মাষ্টাৰ প্লেন আৰু প্ৰেক্ষাগৃহ পুননির্মাণৰ বাবে 'এষ্টিমেট' প্ৰস্তুতকৰণ আদি যাবতীয় কৰ্মত অগ্ৰসৰ হয়। স্মৰ্ত্তব্য যে, তেজপুৰ তথা অসমৰ বিশিষ্ট বাৰ্ত্তাজীৱী আইনজ্ঞ, ৰাজনীতিক ড° পূৰ্ণ নাৰায়ণ সিংহৰ দিনত বাণ থিয়েটাৰে নিজাকৈ মাটি আবন্টন পায়।

নাট্য সংগঠক, তথা অক্লান্ত সমাজসেৱকৰূপে মঞ্চকোঁৱৰ চন্দ্ৰধৰ গোস্বামীয়ে ১৪।৮।১৯৭৬ চনত বাণ থিয়েটাৰৰ সভাপতি মনোনীত হয়। তাৰপিছত একাদিক্ৰমে ১৯৭৯ আৰু ১৯৮০ চনত তৃতীয়বাৰলৈ সভাপতি নিৰ্বাচিত হয়। স্মৰণযোগ্য যে - বাণ থিয়েটাৰৰ প্ৰতীক পটৰ সৃষ্টিৰ আঁৰত আছিল গোস্বামীদেৱ। জ্যোতি দিৱস (শিল্পী দিৱস), বিষ্ণুৰাভা দিৱস আৰু নটসূৰ্য্যৰ স্মৃতি দিৱস বৰ্ণাঢ্যভাৱে অনুষ্ঠিতকৰণত গোস্বামীদেৱৰ অবদান সময়ে সদায়েই সোঁৱৰণ কৰিব।

মুঠতে, জীৱনৰ প্ৰতিটো সজীৱ ক্ষণ, নাট্যচিন্তা, নাটক, সাংস্কৃতিক উত্তৰণত নিবিষ্ট ৰাখি সমাজৰ প্ৰতি দায়বদ্ধতাক লালন পালন কৰাই যেন মঞ্চকোঁৱৰ জনাৰ দৰ্শন আছিল।

## ঃ সমাজ সেৱাৰ ইটো সিটো ঃ

মানৱসেৱাৰ ক্ষেত্ৰত মঞ্চকোঁৱৰ চন্দ্ৰ গোস্বামীৰ এটি বিশিষ্ট অবদান হৈছে - অকালতে মৃত্যুৰ হিম শীতল স্পৰ্শ পোৱা অসমৰ দুটি উজ্বল জ্যোতিষ্ক কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা আৰু দেশপ্ৰাণ লক্ষীধৰ শৰ্মাৰ নামত উৎসৰ্গিত ধেনুখনা (ধনুসন্দা) পাহাৰস্থিত যক্ষ্মা হস্পিতালখন। 'চন্দ্ৰনাথ, লক্ষীধৰ সোঁৱৰণী যক্ষ্মা হস্পিতালখনৰ উত্তৰণত লোকনায়ক অমিয় কুমাৰ দাসৰ প্ৰত্যক্ষ উদ্যোগ আৰু মঞ্চকোঁৱৰজনাৰ যৎপৰোনাস্তি সম্পাদনা তথা অক্লান্ত যত্নৰ বলত ই সোনকালে ঠন ধৰি উঠিছিল। ৰোগীৰ প্ৰয়োজনীয় লাগতিয়াল সা-সামগ্ৰীৰ সৈতে এই হস্পিতালখনি অসম চৰকাৰে ইং ১৯৮৫ চনৰ ২৩ জানুৱাৰীত নিজৰ হাতলৈ নিয়ে। হস্তান্তৰকৰণৰ এই সভাত তদানীন্তন মুখ্যমন্ত্ৰী হিতেশ্বৰ



শইকীয়া আৰু স্বাস্থ্যমন্ত্ৰী ডা০ ভূমিধৰ বৰ্মণ উপস্থিত আছিল। স্মৰণযোগ্য যে লোকনায়ক অমিয় কুমাৰ দাসৰ স্মৃতি দিৱস এটিত এই মহান অনুষ্ঠানটি অনুষ্ঠিত কৰিছিল যি অনুষ্ঠানত বিশিষ্ট অতিথিৰ আসন অলংকৃত কৰিছিল মঞ্চকোঁৱৰ চন্দ্ৰধৰ গোস্বামীয়ে।

## ঃ অসমীয়া ক্লাৱ আৰু অন্যান্য ঃ

১৯১৫ চনৰ ১৫ এপ্ৰিলত প্ৰতিষ্ঠা কালৰেপৰা আজিৰ শতবৰ্ষ পূৰ্তিৰ সময়লৈকে অসমীয়া ক্লাৱে (তেতিয়াৰ আছামিজ ইভিনিং ক্লাব) বহুখিনি ঘাত প্ৰতিঘাতৰ মাজেদি আগুৱাব লগাত পৰিছে। সামাজিক, জাগতিক তীক্ষ্ণ আঁচোৰেও যেন ম্লান কৰিব পৰা নাই ইয়াৰ প্ৰচ্ছন্ন গৰিমা।

ক্লাবৰ যাত্ৰাপথত এবাৰ 'কিবা প্ৰকাৰে' ইয়াৰ গৃহ তথা সমস্ত ভূমি তেজপুৰ জিলা কংগ্ৰেছৰ হস্তগত হৈছিল; কাজেই উক্ত দখল স্বত্বক লৈ ক্লাব আৰু কংগ্ৰেছৰ মাজত বহুদিন ধৰি শীতল যুদ্ধ চলি আছিল। কিন্তু "মধ্যস্ততাকাৰীৰ সাক্ষাতত আদালতৰ বাহিৰতে এই "ভূমি আৰু গৃহ" হস্তান্তৰকৰি, বিবাদৰ অন্ত পেলোৱা হওক" - এনে চিন্তাৰ মাজেদিয়েই সেই সুদিন আহিলত - ১৯৭৭ চনৰ ১৭ ডিচেম্বৰ তাৰিখে মঞ্চকোঁৱৰ চন্দ্ৰধৰ গোস্বামীৰ গৃহতে উক্ত শুভকাৰ্য্য সমাপন হ'ল - দুয়োপক্ষৰ সাক্ষাতত। এই ঐতিহাসিক কৰ্মফেৰাত গোস্বামীদেৱৰ অবদান নিঃসন্দেহে ধন্যবাদাৰ্হ। এনেদৰেই ধৰ্মৰত্ন গহন চন্দ্ৰ গোস্বামীৰ সভাপতিত্বত 'অসমীয়া ক্লাব' পুনৰুদ্ধাৰ হ'ল। তেতিয়া আছিল ১৯৭৮ চনৰ ১৫ জানুৱাৰী।

এনেদৰেই 'বহুজন হিতায়, বহুজন সুখায়" - আপ্তবাক্য সাৰোগত কৰি, "পৰোপকাৰায় শৰীৰম্ এতদ্" ইত্যাদি ভাবাদৰ্শ সন্মুখত ৰাখি মঞ্চকোঁৱৰজনাই, সমাজলৈ বহু অবদান আগবঢ়োৱাৰ ওপৰিও অসমীয়া ঐতিহ্যমণ্ডিত নাট্যান্দোলনৰ এজন কাণ্ডাৰীৰূপে ব্ৰজ ওস্তাদ, নটসূৰ্য্য, কলাগুৰু, ৰূপকোঁৱৰ আৰু আন বহুজন দিগগজৰ সান্নিধ্যৰে বহু কৰ্ম সম্পাদন কৰি গ'ল। স্বকীয় সত্বা বজাই ৰাখি, শৈল্পীক চেতনা সমৃদ্ধ কৰ্মৰে মহীয়ান চন্দ্ৰধৰ গোস্বামীলৈ শতবৰ্ষ গৰকা বাণ থিয়েটাৰে 'মঞ্চকোঁৱৰ' উপাধি প্ৰদান কৰি এক ঐতিহাসিক কৰ্ম সম্পাদন কৰিলে বুলি একেষাৰতে ক'ব পাৰি।

## ঃ সাহিত্য সৃষ্টিৰ মাজত চন্দ্ৰধৰ ঃ

ন বছৰ বয়সতে 'পিতৃ-মাতৃ' শীৰ্ষক নাতি দীৰ্ঘ প্ৰবন্ধ হাতে লিখা আলোচনী ''আজলী'' ত (অসম ছাত্ৰ সন্মিলনী' -ৰ তেজপুৰস্থ শাখাৰ নাম - ''ঊষা ছাত্ৰ সভা'' ) প্ৰকাশ হোৱাৰ পৰা বুলি ৪৪ তম অসম সাহিত্য সভাৰ অভয়াপুৰী অধিবেশনৰ সাংস্কৃতিক সমাৰোহ আৰু শিল্পী সম্বৰ্দ্ধনা সভাৰ সভাপতিৰ অভিভাষণলৈকে, লালিত্যভৰা গদ্য তথা কাব্য যেন লগা লিখনিত চন্দ্ৰধৰ গোস্বামীৰ মাজত লুকাই থকা সাহিত্যিকজনাৰহে পূৰ্ণ বিকাশ ঘটিছিল। চন্দ্ৰধৰ গোস্বামীৰ মাজত সাহিত্যিকজনক বিচাৰিবলৈ হ'লে ৰূপ, ৰস তথা ব্যঞ্জনাভৰা চিন্তাৰ খোৰাকৰ বাবে এক দফা পঢ়িলেই যথেষ্ট। যথা -

''এটা জাতিৰ ৰাজনৈতিক পৰাধীনতাতকৈও সংস্কৃতিৰ দৈন্যতা বেছি ভয়াবহ। সাংস্কৃতিক দৈন্যতাত জাতিটোৰ মনীষা নোহোৱা হৈ পৰে আৰু তাৰ সুকীয়া সত্বাটো সম্পূৰ্ণ হেৰাই যায়।

নিজৰ সংস্কৃতিৰ শ্ৰীবৃদ্ধি আৰু ব্যাপ্তিৰ কাৰণে নিশ্চয় সংস্কৃতিৰ বিনিময় হ'ব। বিনিময়ত জাহ যোৱাৰ পৰিবৰ্তে জীৱন নিয়াব পৰা শক্তিৰ সামৰ্থ্যৰ ওপৰতহে নিজস্ব প্ৰকাশ সম্ভৱপৰ। গাত ম'ৰা পাখি আঁৰি যেনেকৈ ম'ৰা চৰাই হ'ব নোৱাৰি তেনেকৈ নিজৰ শক্তি আৰু মনীষা নহ'লে আনৰ পৰা ধাৰ কৰি অনা বস্তুৰে সজাই আমাৰ সংস্কৃতিৰ বৈশিষ্ট্যতা প্ৰকাশ পাইছে সি লোপ পাব। এই বৈশিষ্ট্য লোপ পোৱাৰ পিছত আমাৰ চিন কি হ'ব ?''

আকৌ চাওকচোন অন্তৰৰ নিভৃত কোণৰ পৰা প্ৰজ্বলিত চেতনাৰ স্ফুলিঙ্গ। যথা - নিৰত সাধনা নহ'লে কোনো কলাৰ ৰূপ ধাৰণ আৰু আয়ত্বকৰণ সম্ভৱ নহয়। হয়তো মোৰ ভুল হ'ব পাৰে তথাপি মোৰ এটা অনুভূতি হৈছে যেন আমাৰ এই ঐকান্তিক সাধনাৰ ক্ষেত্ৰত দৈন্যতা আহি পৰিছে।'' স্মৰণযোগ্য যে মঞ্চকোঁৱৰজনাই সংখ্যাত তাকৰ হ'লেও এজন গদ্যলিখক ৰূপেও স্বাক্ষৰ ৰাখি থৈ গৈছে। 'নটসূৰ্য্য ৰচনাৱলী'ৰ পৰিশিষ্টত প্ৰকাশ পোৱা 'নটসূৰ্য্য ফণী শৰ্মা' শীৰ্ষক সুদীৰ্ঘ প্ৰবন্ধৰ ভাষা তথা প্ৰকাশৰ উচ্চ ধাৰাৰ লগতে কলাগুৰুজনাৰ প্ৰতি নিবেদিত 'জনতাৰ শিল্পী বিষ্ণুৰাভা মানুহজন'' আদি প্ৰবন্ধৰ উচ্চ ভাবোদ্দীপক ৰস তথা ভাষাৰ গাম্ভীৰ্যতাই তেখেতক এগৰাকী সাবলীল গদ্য লেখক ৰূপেও পৰিচিতি প্ৰদান কৰি থাকিব।



## ঃ মঞ্চ কোঁৱৰৰ শেষ যাত্ৰা ঃ

''এয়ে মোৰ শেষ গান, মোৰ জীৱন নাটৰ শেষ ৰাগিনী কল্যাণ খৰ মান ---'' কলাগুৰু বিষ্ণুৰাভাৰ লিখনিৰ মৰ্মক্ষণ যেন - মঞ্চকোঁৱৰ চন্দ্ৰধৰ গোস্বামীৰো ওচৰ চাপিল। তেখেতৰ জীৱন নাটৰ যবনিকা এই পৰো, এই পৰো।

নিষ্ঠুৰ কৰ্কট ৰোগাক্ৰান্ত তেওঁ শৰীৰ নামৰ অৱয়বত ক্ৰমান্বয়ে থিতাপি লৈ বহিছে। দুৰ্বল শৰীৰ; মাজে মাজে মূৰ্চা যায় মঞ্চতে। শৰীৰৰ নাটকীয় সঞ্চালন যেন স্থবিৰপ্ৰায়। ''নিবাৰণ ভট্টাচাৰ্য্য'' নাটৰ সেই কালজয়ী সংলাপ; ঘনে-ঘনে আওৰাইছে ভ্ৰমত, প্ৰমাদত ! স্থান চিভিল হস্পিতাল; পুনৰ আকৌ ঘৰৰ মানুহ ঘৰলৈ। নিপনক বিচাৰিলে শেষবাৰলৈ চাবলৈ- নাই তেজপুৰত, চুটিং লৈ ব্যস্ত। পুনৰ সংলাপ - ''বৈ যাম, মই কেৰল দি যাম। হে মোৰ দৰদী প্ৰাণ অতিথিবৃন্দ, মোৰ ন ব্ৰহ্মাণ্ডৰ সূৰ্য্যৰ পোহৰ আৰু আকাশৰ ৰং এয়া মই ছটিয়াই দিছো '' ---- আকৌ --- '' হে বিশ্বজন, এই সূৰ্য্যৰ পোহৰত প্ৰতিভাত হোৱা, হে বিশ্বব্ৰহ্মাণ্ড, হে মহা বিশ্ব ব্ৰহ্মাণ্ড হে হে হে '' বুকুত তীব্ৰ যন্ত্ৰণা। মঞ্চকোঁৱৰ পৃথিবীৰ আধাৰত অজ্ঞান। গোটেইখন হুৱা দুৱা ---- ডাক্তৰে ক'লে - ''নাই'' --- !

গুণমুগ্ধৰে ভৰি পৰিল, একালৰ ৰম্যপুৰীযেন কলিবাৰীৰ ঘৰখন। জীৱন নাটত অভিনয় কৰি নিৰ্জীৱ হৈ শুই পৰা বহু গুণ সমাবৃত কুশীলব--!১৯৮৫ চনৰ এক এপ্ৰিল তাৰিখে ৭৩ বছৰ বয়সত মঞ্চ কোঁৱৰ চন্দ্ৰধৰ গোস্বামীদেৱে বৰ্নাঢ্য জীৱন নাট সামৰিলে। তেওঁৰ অভিভাষণৰ এষাৰিৰেই সামৰিছো - ''মোৰ অসমীৰ চিৰ সেউজী সংস্কৃতিৰ সাধকসকললৈ এই প্ৰাৰ্থনা জনাই আপোনাসকলৰ অন্তৰৰ সুন্দৰ জনালৈ মোৰ সশ্ৰদ্ধ সেৱা আগবঢ়াই, আপোনালোকৰ সৰ্বতো প্ৰকাৰে মঙ্গল কামনা কৰিলো।''